# অসম আদিত্য

চ'ত, ১৯৪৭ শক ■ শুকুৰবাৰ, ২৭ মাৰ্চ, ২০২৬ ■ Asom Aditya, Dibrugarh, Friday, March 27, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকা


**কানৈ মহাবিদ্যালয়ৰ সমাজশাস্ত্ৰ বিভাগৰ স্বচ্ছতা অভিযানত অধ্যক্ষ ড° শইকীয়া**

## কেৱল কিতাপৰ জ্ঞানেৰে সমাজ সংস্কাৰ অসম্ভৱ

**ষ্টাফ ৰিপৰ্টাৰ, ২৬ মাৰ্চ ঃ** সূৰ্যৰ কোমল পোহৰ ধৰালৈ নৌ নামোতেই এক ব্যতিক্ৰমী কাৰ্যসূচীৰে ৮০ বছৰ গৰকা ঐতিহাসিক ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্ত শাসিত)ৰ চৌহদ মহাবিদ্যালয়খনৰ সমাজশাস্ত্ৰ বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে পৰিষ্কাৰ কৰি আজি পুৱাই এক ঐতিহাসিক ক্ষণৰ সাক্ষী হিচাপে চিহ্নিত কৰিলে। মহাবিদ্যালয়খনৰ সমাজশাস্ত্ৰ বিভাগৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলে পুৱা ৫ বজাতে হাতে হাতে ঝাৰু, কোৰ, গছপুলি লৈ সমাজসেৱা তথা স্বচ্ছতা অভিযান চলায়। প্ৰায় তিনি ঘণ্টা অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলে এনেদৰে কাৰ্যসূচী গ্ৰহণ কৰাৰ সময়তে হয়তো চহৰখনৰ অধিকাংশ নাগৰিকেই গভীৰ নিদ্ৰাত আছিল। কাহিলী পুৱাতে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰি মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই কয়— কেৱল কিতাপৰ জ্ঞানেৰে সমাজ সুন্দৰ কৰিব নোৱাৰি, সমাজ সংস্কাৰ কৰিব নোৱাৰি। তেওঁ কয়— কৰ্মই ধৰ্ম। নিজক পৰিবৰ্তন কৰিব নোৱাৰিলে কেতিয়াও পৃথিৱীৰ পৰিৱৰ্তনৰ সপোন দেখিব নোৱাৰে। নিজক পৰিৱৰ্তন কৰিব পাৰিলেহে এখন সুন্দৰ আৰু সুস্থ পৃথিৱী গঢ়ি উঠিব পাৰে। তেওঁ কয়— আজি কাহিলী পুৱাতে তোমালোক শুই উঠি যি ত্যাগ স্বীকাৰ কৰিলা সেয়া কেৱল চাফ-চিকুণ বা পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ অভিযান নহয়, ই হ'ল তোমালোকৰ ভিতৰত থকা দেশক ভালপোৱা, মহাবিদ্যালয়খনক ভালপোৱা, জাতিক ভালপোৱা, সুনাগৰিক হিচাপে নিজকে গঢ়ি তোলাৰ এক দায়িত্বৰ বহিঃপ্ৰকাশ। তেওঁ কয়— মানুহৰ হৃদয়ত গঢ়ি উঠা সমাজ সেৱাৰ মনোভাৱে মানুহক প্ৰকৃত মানুহ হিচাপে গঢ়ি তুলিব পাৰে। অধ্যক্ষগৰাকীয়ে কয় যে সমাজশাস্ত্ৰৰ শিক্ষাৰ্থী হিচাপে সমাজৰ সমস্যাবোৰ দূৰৰ পৰা পৰ্যবেক্ষণ কৰি থাকি সময় অপব্যয় কৰাতকৈ সমাজৰ মংগলৰ বাবে হাতে-কামে কাম কৰাৰ গুৰুত্ব অধিক। তেওঁ কয় যে যিদৰে এটা সৰু চাকিৰ পোহৰে এটা অন্ধকাৰ কোঠা পোহৰাই তোলে, ঠিক তেনেকৈ তোমালোকৰ এই সৰু সৰু কাম তথা পদক্ষেপবোৰে গোটেই সমাজখনৰ মানুহৰ মানসিকতাকে সলনি কৰি দিব পাৰে। তেওঁ জাপানী শিক্ষা ব্যৱস্থাৰ উদাহৰণ দি কেনেকৈ জাপানী শিক্ষাৰ্থীয়ে নিজৰ শ্ৰেণীকোঠা আৰু চৌহদ পৰিষ্কাৰ কৰে সেই বিষয়ে বিতংভাৱে উল্লেখ কৰি জাপানীসকল বিশ্বৰ আটাইতকৈ শৃংখলাবদ্ধ জাতি হিচাপে পৰিচয় দিয়াৰ বিষয়েও উল্লেখ কৰে। বিভাগৰ মুৰব্বী কৰিশ্মা জে কে বৈষ্ণৱীয়ে অধ্যক্ষগৰাকীক এখন গামোচাৰে পুৱাই আদৰণি জনাই কয়— সমাজৰ প্ৰতি দায়বদ্ধতা বৃদ্ধি কৰা, ছাত্ৰ-ছাত্ৰীৰ



মাজত শ্ৰমৰ মৰ্যদা গঢ়ি তোলা, শিক্ষাৰ্থীসকলে মহাবিদ্যালয়খনক আপোন হিচাপে গ্ৰহণ কৰাৰ উদ্দেশ্যেই পুৱাই শিক্ষাৰ্থীসকলৰ মাজত এনে কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। তেওঁ কয় যে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত দেখা দিয়া অভূতপূৰ্ব উছাহে এই কথা প্ৰমাণ কৰিলে যে কানৈ মহাবিদ্যালয়ৰ শিক্ষাৰ্থী বা আধুনিক নতুন প্ৰজন্ম কেৱল সামাজিক মাধ্যমতে ব্যস্ত নহয়, তেওঁলোক সমাজখনৰ প্ৰতিও সঁচা অৰ্থত অধিক সজাগ আৰু সচেতন। উল্লেখ্য যে, অতি ব্যতিক্ৰমী ৰূপত অনুষ্ঠিত কৰা এই কাৰ্যসূচীৰ বাবে অধ্যক্ষগৰাকীয়ে সমাজশাস্ত্ৰ বিভাগৰ সকলো অধ্যাপক-অধ্যাপিকাক ভূয়সী প্ৰশংসা কৰে আৰু আগন্তুক দিনত অন্যান্য বিভাগসমূহেকো এনেধৰণৰ গঠনমূলক কামত আগভাগ ল'বলৈ আহবান জনায়। মনকৰিবলগীয়া যে কানৈ মহাবিদ্যালয়ে প্ৰায় দহ বছৰৰো অধিক দৈনিক অধ্যক্ষ ড০ শশীকান্ত শইকীয়াৰ নেতৃত্বত এটা গ্ৰীন ক্লাব নামৰ অনুষ্ঠান গঢ়ি তুলি ছাত্ৰাৱাস, ছাত্ৰীনিবাসৰ আবাসীসকলৰ সহযোগত পুৱা ৪.৩০ বজাৰ পৰা ব'দ-বৰষুণ, বতাহ-ধুমুহা, ভূমিকম্প, ক'ৰণা মহামাৰী, উৎসৱ-পাৰ্বন, কোনো বন্ধৰ দিন নোলোৱাকৈ মহাবিদ্যালয় চৌহদ পৰিষ্কাৰ কৰি অহা হৈছে। ইয়াৰ ফলত মহাবিদ্যালয়খনে ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ লগতে স্থানীয় পৰ্যায়তো অনেকবঁটা-বাহন, সন্মান লাভ কৰিবলৈ সক্ষম হৈছে।

## নাহৰকটীয়াৰ কল্যাণ নগৰত শোকাকুল পৰিৱেশ